al No. of Printed Pages—4

**6 SEM TDC ASM M 4**

**2 0 1 4**

( May )

ASSAMESE

( Major )

Course : 604

( বিশ্বসাহিত্যৰ পৰিচয় )

*Full Marks* : 80

*Pass Marks* : 32

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

। তলত দিয়া প্ৰশ্নকেইটাৰ পোনপটীয়া উত্তৰ দিয়াঁ : ১×৮=৮

(ক) "ভৱিষ্যতে বিশ্বসাহিত্যই জাতীয় সাহিত্যক এক প্ৰধান সৃষ্টিশীল ৰচনা হিচাপে অতিক্ৰম কৰিব।" এই কথাষাৰ কোনে কৈছিল?

(খ) মোপাছাঁ কোন শতিকাৰ গল্পকাৰ?

(গ) "আহা! মই বনবাসী, স্নেহত মোৰে ইমান ব্যাকুলতা ঘটিছে; প্ৰথমে কন্যা উলিয়াই দিওঁতে গৃহস্থবিলাকে আৰুবা কিমান বেজাৰ পায়!" এই উক্তি কাৰ?

(ঘ) 'অশ্ৰুতীৰ্থ' নাটকত ৰজা প্ৰতাপসিংহই কাক 'তামুলী ফুকন' পাতিছিল ?

(ঙ) আফ্‌কেৰ কোনজনী জীয়েক বন কৰা ছোৱালীৰূপে নগৰত আছিলগৈ ?

(চ) কবি কাউন্টি কিউলেন আমেৰিকাৰ কোনটো বৌদ্ধিক আন্দোলনৰ সৈতে জড়িত ?

(ছ) 'ক'লা মানুহৰ ল'ৰা' কবিতাটিত কবিয়ে লাজ, ভয় অথবা আনন্দত ৰঙা-ছিঙা পৰা মাকৰ কথা ক'বলৈ যাওঁতে কোনপাহ ফুলৰ কথা উল্লেখ কৰিছে ?

(জ) 'প্ৰথম বাসনাৰ গীত'-ৰ কবি গাৰ্চিয়া লৰকা কোন দেশৰ কবি ?

২। চমু উত্তৰ দিয়াঁ (যি কোনো **পাঁচোটাৰ**) : ৩×৫

(ক) শকুন্তলাৰ ভৰিষ্যত জীৱনক লৈ অনুসূয়া আৰু প্ৰিয়ম্বদাই কেনেধৰণে প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে, চমুকৈ লিখাঁ।

(খ) এগৰাকী দায়িত্বশীল স্বামীৰ ৰূপত মঁচিয় লোৱাজেল চৰিত্ৰটিত আলোকপাত কৰাঁ।

(গ) ডাক্তৰ টোপাকোৱৰৰ কৃত্ৰিম বস্তুবাদী জীৱনচৰ্যাৰ আঁৰত কি আছিল, চমুকৈ আলোচনা কৰাঁ।

(ঘ) ভেলাই নিজৰ বাদামী চুলিকোছা কিয় বিক্ৰী কৰিছিল ? এই কাৰ্যৰ জৰিয়তে ভেলাৰ চৰিত্ৰৰ কোনটো দিশ প্ৰকট হৈ পৰিছে ?





(ঙ) ব্লকৰ 'সময়ৰ সন্তানবোৰ' কবিতাত উল্লেখ কৰা 'ক্ৰন্দনৰত ঢোৰাকাউৰী' প্ৰতীকৰ তাৎপৰ্য ব্যাখ্যা কৰাঁ।

(চ) 'অশ্ৰুতীৰ্থ' নাটকৰ ধুমুহাৰ দৃশ্যটোৰ তাৎপৰ্য লিখাঁ।

(ছ) ক্লাঝে মেন্ডোলিন কিনাৰ পৰিৱৰ্তে তাৰ সাঁচতীয়া পইচাৰে কি কৰিছিল আৰু তাৰ এই কাৰ্যৰ মাজেৰে তাৰ চৰিত্ৰৰ কোনটো দিশ পৰিস্ফুট হৈছে ?

৩। (ক) অ'. হেনৰীৰ 'উপহাৰ' গল্পটিত প্ৰেমৰ মহত্ত্ব কেনেদৰে ঘোষিত হৈছে, বিশদভাৱে আলোচনা কৰাঁ। ১২

*অথবা*

(খ) মোপাছাঁৰ 'হীৰাৰ হাৰ' গল্পটিত দাৰিদ্ৰ্যৰ ছবি আৰু নাৰী-মনস্তত্ত্ব কেনেদৰে ফুটি উঠিছে, আলোচনা কৰাঁ। ৬+৬=১২

৪। (ক) 'কালিদাসৰ নাটকত প্ৰকৃতিৰ চিত্ৰায়ন'—এই সম্পৰ্কে 'অভিজ্ঞান-শকুন্তলম্' নাটকৰ চতুৰ্থ অংকৰ আধাৰত এটি আলোচনা যুগুত কৰাঁ। ১২

*অথবা*

(খ) " 'অভিজ্ঞান-শকুন্তলম্'-ৰ চতুৰ্থ অংকৰ মাজত মিলনৰ অপূৰ্ণ আশা আৰু বিচ্ছেদেৰে পূৰ্ণ শোকৰ দুই বিপৰীতমুখী ভাৱধাৰাৰ সমন্বয় ঘটিছে।" এই মন্তব্যৰ যথাৰ্থতা বিচাৰ কৰি এটি প্ৰবন্ধ লিখাঁ।

৫। (ক) কাউন্টি কিউলেনৰ 'ঘটনা' আৰু অছৱাল ডুৰাণ্ডৰ 'ক'লা মানুহৰ ল'ৰা' শীৰ্ষক দুয়োটা কবিতাকে বৰ্ণ-বৈষম্যৰ জঘন্য বাস্তৱে কেনেদৰে গতি প্ৰদান কৰিছে, আলোচনা কৰাঁ।

*অথবা*

(খ) গাৰ্চিয়া লৰকাৰ 'প্ৰথম বাসনাৰ গীত' কবিতাটিত জীৱন-চেতনাৰ সমান্তৰালকৈ মৃত্যুৰ উপলব্ধিও কেনেদৰে মূৰ্ত হৈ উঠিছে, আলোচনা কৰাঁ।

৬। (ক) চেক্সপীয়াৰৰ 'কিং লিয়াৰ' নাটকৰ অসমীয়া অনুবাদ হিচাপে 'অশ্ৰুতীৰ্থ'ৰ অনুবাদ-ৰীতি সম্পৰ্কে এটি আলোচনা আগবঢ়োৱাঁ।

*অথবা*

(খ) আফ্‌কে চৰিত্ৰৰ বিভিন্ন দিশসমূহ সামৰি চৰিত্ৰটিৰ এটি বিশ্লেষণ আগবঢ়োৱাঁ।

৭। চমু টোকা লিখাঁ (যি কোনো দুটা) : ৪×২

(ক) টমাছ হাৰ্ডি

(খ) ৰজা প্ৰতাপসিংহ

(গ) মহেন্দ্ৰ বৰা

★★★